অসম বিধান সভা
তৰা বিহীন প্ৰশ্ন নং : ৬৭
উত্তৰ দিয়া তাৰিখ : ০৭/০৭/২০২৬

বিষয় : ছাত্ৰ বৃত্তি শ্ৰীমহিবুৰ ৰহমান,মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) বন্ধ হৈ থকা সংখ্যালঘু ছাত্ৰৰ কল্যাণৰ বাবে চৰকাৰে আগবঢ়োৱা ছাত্ৰ বৃত্তি ব্যৱস্থা পুনৰ আৰম্ভ কৰাৰ বাবে বিভাগে পৰিকল্পনা হাতত লৈছে নেকি ?

খ) ৰাজ্যৰ চৰ অঞ্চলত থকা মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে বিভাগে সম্প্ৰতি কি কি আঁচনি হাতত লৈছে ?

গ) চৰাঞ্চলত ড্ৰপ আউটৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত বিভাগে লোৱা পদক্ষেপসমূহৰ শেহতীয়া স্থিতি কি ?

উত্তৰ

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী, **শ্ৰী অশ্বিনী ৰায় সৰকাৰ** মহোদয়ে উত্তৰ দিব।

(ক) যোৱা ১২ জুন ২০২৬ তাৰিখে, ভাৰত চৰকাৰৰ সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত উত্তৰ-পূব ৰাজ্যসমূহৰ বাবে গুৱাহাটীত "সংখ্যালঘু ছাত্ৰবৃত্তি আঁচনি"ৰ ওপৰত এখন আঞ্চলিক কৰ্মশালা অনুষ্ঠিত হৈছিল। এই কৰ্মশালাখন ২০২৬-২৭ বৰ্ষত সংখ্যালঘু ছাত্ৰবৃত্তি আঁচনিসমূহৰ পুনৰ ৰূপায়ণৰ বাবে ৩১ জুলাই ২০২৬-ৰ ভিতৰত বিগত সময়ত সংগঠিত হোৱা সংখ্যালঘু ছাত্ৰবৃত্তিৰ পুঁজিৰ অপব্যৱহাৰৰ তদন্ত আৰু ধন উদ্ধাৰৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি ১৫ আগষ্ট ২০২৬-ৰ ভিতৰত মন্ত্ৰালয়লৈ প্ৰতিবেদন দাখিল কৰাৰ উদ্দেশ্যে আয়োজন কৰা হৈছিল। ওপৰত উল্লেখিত প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা পিছত ছাত্ৰ বৃত্তি পুনৰ আৰম্ভ কৰাৰ বাবে ব্যাৱস্থা কৰা হব ।

(খ) সংখ্যালঘু কল্যাণ ও উন্নয়ন বিভাগে সংখ্যালঘু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণ কৰে, অসম সংখ্যালঘু উন্নয়ন বিভাগৰ আঁচনি সমূহ অঞ্চল/ চৰাঞ্চল ভিত্তিত ৰূপায়ণ কৰা নহয়, আঁচনি সমূহৰ হিতাধিকাৰী চৰাঞ্চলক সামৰি ৰাজ্যিক ভিত্তিত বাচনি কৰা হয়। উক্ত আঁচনি সমূহৰ নামৰ তালিকা www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'ক'** হিচাপে দিয়া হৈছে ।

তদুপৰি এই বিভাগে ৰাজ্যৰ চৰাঞ্চলত থকা মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে ৰাজ্য চৰকাৰৰ SOPD আঁচনিৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষত এটা প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণৰ প্ৰস্তাৱ লোৱা হব। ইয়াৰ উপৰিও, সমগ্ৰ অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ বাবে প্ৰস্তাৱিত এককালীন অনুদান আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীসকলক গৃহস্থালী চিলাই মেচিন আৰু প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰাৰ প্ৰস্তাৱ লোৱা হব।

গ) চৰাঞ্চলত ড্ৰপ আউটৰ হাৰ হ্ৰাস কৰাৰ বিষয়টো এই বিভাগৰ অধীনত নপৰে ।

পৰিশিষ্ট- 'ক'

বিত্তীয় বর্ষ	ক্র. নং	আঁচনিৰ নাম
২০২১-২২	১	বেছেলোৰ অব মেডিকেল লেব্রোটাৰী টেকনোলজী (বি এম এল টি)
	২	ডিপ্লোমা ইন মেডিকেল লেব্রোটাৰী টেকনোলজী (ডি এম এল টি)
	৩	কোচিং ফৰ এন্ট্রেঞ্চ ইকজাম (মেডিকেল , ইঞ্জিনিয়াৰিং আৰু এ.পি এচ ছি)

বিত্তীয় বর্ষ	ক্র. নং	আঁচনিৰ নাম
২০২২-২৩	১	বেছেলোৰ অব মেডিকেল লেব্রোটাৰী টেকনোলজী (বি এম এল টি)
	২	ডিপ্লোমা ইন মেডিকেল লেব্রোটাৰী টেকনোলজী (ডি এম এল টি)
	৩	এ এন এম পাঠ্যক্রমৰ প্রশিক্ষণ
	৪	জি এন এম পাঠ্যক্রমৰ প্রশিক্ষণ
	৫	কোচিং ফৰ এন্ট্রেঞ্চ ইকজাম (মেডিকেল, ইঞ্জিনিয়াৰিংআৰু এ, পি, এচ, ছি)
	উল্লেখ থাকে যে ২০২২-২৩ বিত্তীয় বর্ষৰ বাবে অসম সংখ্যালঘু উন্নয়ন ব'র্ডে উক্ত আঁচনি সমুহৰ বাবে বিত্তীয় অনুমোদন লাভ কৰা নাছিল।	

বিত্তীয় বর্ষ	ক্র. নং	আঁচনিৰ নাম
২০২৩-২৪	১	কোচিং ফৰ এন্ট্রেঞ্চ ইকজাম (ইউ. পি. এচ. ছি.)

বিত্তীয় বর্ষ	ক্র. নং	আঁচনিৰ নাম
২০২৪-২৫	১	জি এন এম পাঠ্যক্রমৰ প্রশিক্ষণ
	২	ডিপ্লোমা ইন মেডিকেল লেব্রোটাৰী টেকনোলজী (ডি এম এল টি)
	৩	কোচিং ফৰ এন্ট্রেঞ্চ ইকজাম (ইউ. পি. এছ. চি./ এ.পি. এছ. চি)
	৪	বেছেলোৰ অব ফিজিয়োথেৰাপী (বি পি টি)

বিত্তীয় বর্ষ	ক্র. নং	আঁচনিৰ নাম
২০২৫-২৬	১	জি এন এম পাঠ্যক্রমৰ প্রশিক্ষণ

Director
Assam Minorities Development Board
R.G.B. Road, Dispur, Guwahati-6